জাতিৰ আৱেগ সমাজৰ বিৱেক

দৈনিক জনমভূমি

portal : www.dainikjanambhumi.com e-paper : www.dainikjanambhumi.co.in Dainik Janambhumi

তম বছৰ, সংখ্যা ১৯ ● বৃহস্পতিবাৰ ● ৬ আহিন ● ১৯৪৮ শক RNI No. ASSASS/2006/16737 DAINIK JANAMBHUMI Tinsukia Thursday September 24, 2026 ● ১৪ পৃষ্ঠা ● তিনিচুকীয়া, যোৰহাট আৰু গুৱা

জ মইনা
তৰ নতুন
গঠন

বাতৰি দিওঁতা,
তিনিচুকীয়া জিলা
াতৰ অন্তৰ্গত
পাৰিজাতৰ নতুন
ৰ্থে যোৱা ২২
ী অসম লেখিকা
, ডুমডুমা শাখাৰ
াৰ্যালয়ত এখন
সভা অনুষ্ঠিত
দেৱী বৰুৱাৰ

কানৈ মহাবিদ্যালয় আৰু ষ্টে ফিট যোগকেন্দ্ৰৰ বাৰ হাজাৰ গছপুলি ৰোপণ

ডিব্ৰুগড় ঃ ষ্টাফ ৰিপ'ৰ্টাৰ, ২৩ ছেপ্টেম্বৰ ঃ অসম চৰকাৰৰ 'বৃক্ষবন্ধু'ৰ অধীনত ডি এইচ এছ কানৈ মহাবিদ্যালয় (স্বায়ত্তশাসিত)ৰ উদ্যোগত আৰু ষ্টে ফিট যোগকেন্দ্ৰৰ সহযোগত বাৰ হাজাৰ গছপুলি ৰোপণ কৰা হয়। শিক্ষা বিভাগে বৃক্ষবন্ধু নামেৰে এক আঁচনিৰ জৰিয়তে গছপুলি ৰোপণ আৰু সংৰক্ষণ কৰাৰ উদ্দেশ্যেৰে চলিত বৰ্ষৰ আগষ্ট মাহৰ পৰা কাৰ্যকৰী হোৱাকৈ সকলো উচ্চ শিক্ষানুষ্ঠানৰ লগতে চৰকাৰী বিদ্যালয়সমূহৰ ছাত্ৰ-ছাত্ৰীসকলৰ জৰিয়তে বৃক্ষৰোপণ আৰু প্ৰতিপালন কৰি অসমখনক এখন সেউজীয়া পৃথিৱীলৈ পৰিৱৰ্তন কৰাৰ উদ্দেশ্যেৰে এই আঁচনিখন কাৰ্যকৰী কৰে। উক্ত আঁচনিৰ অধীনত বন বিভাগৰ তৰফৰ পৰা প্ৰতিখন শিক্ষানুষ্ঠানলৈ ছাত্ৰ-ছাত্ৰীৰ সংখ্যাৰ ওপৰত নিৰ্ভৰ কৰি বৃক্ষ যোগান ধৰা হৈছিল। সেই মৰ্মে কানৈ মহাবিদ্যালয়ক প্ৰাৰম্ভিক পৰ্যায়ত সাত হাজাৰ গছপুলি যোগান ধৰা হয়। এনে এক বৃহৎ বৃক্ষ ৰোপণ কাৰ্যসূচী ৰূপায়ণ কৰিবলৈ কানৈ মহাবিদ্যালয়ৰ ৰাজনীতি বিজ্ঞান বিভাগৰ সহযোগী অধ্যাপক ড° বিৰাজ দত্তৰ তত্ত্বাৱধানত, এন এছ এছৰ প্ৰগ্ৰেম অফিচাৰ শিৱনাথ চুতীয়া আৰু এন চি চিৰ এ এন অ' ড° পৰাগজ্যোতি চুতীয়াৰ লগতে মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ সদস্যসকলক লৈ এখন সমিতি গঠন কৰিছিল মহাবিদ্যালয়ৰ অধ্যক্ষ ড° শশীকান্ত শইকীয়াই। উক্ত সমিতিখনে ডিব্ৰুগড় চহৰৰ খনিকৰ চাৰিআলিৰ ৰাষ্ট্ৰীয় ঘাইপথৰ দুয়োকাষে, লাহোৱাল বাইপাছ চাৰিআলিৰ দুয়োকাষে, বকপৰা গাঁও, চাঁন্দে পথাৰ গাঁও, ডিব্ৰুগড় প্লেণ্টাৰ্ছ ক্লাব, ডিব্ৰুগড় চহৰৰ বিভিন্ন অঞ্চলৰ লগতে কানৈ মহাবিদ্যালয়ৰ চৌহদত বৃক্ষবন্ধু আঁচনিৰ অধীনৰ গছপুলিসমূহ ৰোপণ কৰে। বিশ্ব পৰিৱেশ দিৱসৰ দিনাৰে পৰা মহাবিদ্যালয় আৰু ষ্টে ফিট যোগকেন্দ্ৰৰ সঞ্চালক জগদীশ ভৰালীৰ উদ্যোগত নিজাববীয়াকৈ ডিব্ৰুগড় চহৰৰ বিভিন্ন অঞ্চলত পাঁচ হাজাৰ নিমপুলি ৰোপণ কৰা হয়। কানৈ মহাবিদ্যালয়ৰ ডিম্বেশ্বৰ চলিহা ছাত্ৰাবাসৰ আৱাসীসকল, ৰুক্মিণী দেৱী কানৈ ছাত্ৰীনিৱাসৰ আৱাসীসকল, এন এছ এছ আৰু এন চি চিৰ ছাত্ৰ-ছাত্ৰীসকলৰ সহযোগত মহাবিদ্যালয়খনৰ শিক্ষক-কৰ্মচাৰী সকলোৱে লগ লাগি উক্ত আঁচনিখন সম্পন্ন কৰাত কানৈ মহাবিদ্যালয়ৰ অধ্যক্ষ ড° শশীকান্ত শইকীয়াই সমিতিৰ প্ৰতিগৰাকী সদস্য আৰু বৃক্ষবন্ধু আঁচনিৰ লগত জড়িত ছাত্ৰ-ছাত্ৰীসকলক ধন্যবাদ জ্ঞাপন কৰে। উল্লেখযোগ্য যে কানৈ মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলে ৰোপণ কৰা প্ৰতিজোপা গছৰ একোখনকৈ জিঅ'টেগ ফটো মহাবিদ্যালয়ৰ ৱেবছাইটত সংৰক্ষিত কৰি ৰখা হৈছে।

তিনিচুকীয়া সংমণ্ডলত